# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 27-11-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
## *Headlines*
**- - - - - - - - - - - - - -**

১। দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে সংসদৰ উভয় সদনৰ কাম-কাজ আজিও দিনটোৰ বাবে স্থগিত।

২। পৰ্যটন আৰু আন্তঃগাঁথনি খণ্ডৰ উন্নয়নৰে উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাত কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটৰ গুৰুত্ব।

৩। নুমলীগড়ৰ দেওপাহাৰৰ শিল্প ভাস্কৰ্য সংৰক্ষণৰ বাবে বিতং প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ।

**আৰু**

৪। ছয়ীদ মুস্তাক আলী ৰাষ্ট্ৰীয় টী-২০ ক্ৰিকেট প্ৰতিযোগিতাত অসম চণ্ডীগড়ৰ বিৰুদ্ধে অৱতীৰ্ণ। টছত জয়লাভ কৰি চণ্ডীগড়ৰৰ অসমক প্ৰথমে বেটিঙৰ বাবে আমন্ত্ৰণ।

ooooo

দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ ফলত আজিও সংসদৰ উভয় সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। প্ৰথমবাৰৰ বাবে ৰাজ্যসভাৰ কাম-কাজ স্থগিত ৰখাৰ পাছত দিনৰ চাৰে ১১ বজাত উচ্চ সদন পুনৰ মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, বাওঁপন্থী দল, ডি এম কে, তৃণমূল কংগ্ৰেছ, সমাজবাদী পাৰ্টী, আম আদমী পাৰ্টী আৰু আন কেইবাটাও দলে তেওঁলোকৰ দ্বাৰা উল্লেখিত বিষয়কেইটাৰ সন্দৰ্ভত সদনত সভাস্থগিত প্ৰস্তাৱ উত্থাপনৰ দাবী জনায়। সভাপতি জগদীপ ধনখড়ে এই দাবী প্ৰত্যাখান কৰাত বিৰোধী সদস্যসকলে ধ্বনি দিবলৈ আৰম্ভ কৰে আৰু সদনত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়। সভাপতিৰ বাৰম্বাৰ অনুৰোধকো বিৰোধী সদস্যসকলে কৰ্ণপাত নকৰাত সদনৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখাৰ কথা ধনখড়ে ঘোষণা কৰে। ইয়াৰ পূৰ্বে পুৱা সদন মিলিত হোৱাৰ সময়ত আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীটোৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগ, মণিপুৰৰ সংঘৰ্ষ আৰু উত্তৰ প্ৰদেশৰ চম্ভলৰ ঘটনাৰ বাবে বিৰোধী পক্ষই সদন পৰিচালনাৰ ২৬৭ নম্বৰ নিয়মৰ অধীনত সভা স্থগিতকৰণৰ প্ৰস্তাৱৰ জাননী সভাপতিয়ে খাৰিজ কৰে।

ইয়াকে লৈ বিৰোধী পক্ষৰ সাংসদসকলে হুলস্থুলীয়া পৰিস্থিতি অব্যাহত ৰখাৰ ফলত সদনৰ কাম-কাজ দিনৰ চাৰে ১১ বজালৈ স্থগিত ৰখা হয়।

লোকসভাতো আজি অনুৰূপ দাবীক লৈ বিৰোধী কংগ্ৰেছ, সমাজবাদী পাৰ্টী, ডি এম কে, তৃণমূল কংগ্ৰেছ আৰু অন্যান্য দলৰ সদস্যসকলে হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰে আৰু সেই সময়ত সদনৰ কাম-কাজ সভাপতিয়ে দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখে। দিনৰ ১২ বজাত নিম্ন সদনৰ কাম-কাজ পুনৰ আৰম্ভ কৰা সময়তো কেইবাগৰাকীও বিৰোধী সদস্য সদনৰ মজিয়ালৈ উঠি আহি দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগ আৰু অন্যান্য বিষয়সমূহক লৈ ধ্বনি দিবলৈ আৰম্ভ কৰে। সদন পৰিচালনাৰ দায়িত্বত থকা সাংসদগৰাকীয়ে সদনৰ শৃংখলা ৰক্ষাৰ বাবে জনোৱা বাৰম্বাৰ আহ্বানক বিৰোধী পক্ষই কৰ্ণপাত নকৰাত সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

ooooo

কাজিৰঙাত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় মেলা কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে আজি দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাখন মুকলি কৰে। পৰ্যটন মেলাত ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ পৰ্যটন মন্ত্ৰীসকল উপস্থিত থাকে। কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটন আৰু আন্তঃগাঁথনি খণ্ডৰ উন্নয়নৰ দ্বাৰা অঞ্চলটোৰ অৰ্থনৈতিক প্ৰগতিক সুনিশ্চিত কৰাৰ বাবে বিশেষ গুৰুত্ব দিয়া বুলি কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীশেখাৱটে মন্তব্য কৰে। পৰ্যটন মেলাখন মুকলি কৰাৰ অন্তত এখন সংবাদমেল সম্বোধন কৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে যোৱা ১০ বছৰত কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে পুঁজি আৱণ্টন বৃদ্ধি কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনক দেশৰ বিকাশৰ বাবে অষ্টলক্ষ্মী আখ্যা দি অঞ্চলটোৰ উন্নয়নৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। **প্ৰধানমন্ত্ৰীৰ নিজৰ দেশখন চাওক** শীৰ্ষক উদ্যোগৰ বাবে যোৱাটো বৰ্ষত উত্তৰ-পূৰ্বাঞ্চললৈ ২৩ লাখ পৰ্যটক আহিছিল বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে উত্তৰ-পূৰ্বাঞ্চলক দক্ষিণ পূব এছিয়াৰ দুৱাৰডলি

বুলি অভিহিত কৰি অঞ্চলটোৰ চুবুৰীয়া দেশসমূহৰ সৈতে ভাৰতৰ বান্ধোন অধিক শক্তিশালী কৰা বুলিও কয়। কাজিৰঙাত আয়োজিত আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাই চহকী পৰ্যটন ক্ষেত্ৰ তথা সংস্কৃতিক বিশ্বৰ আগত তুলি ধৰি অঞ্চলটোক লাভান্বিত কৰিব বুলিও কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীশেখাৱটে উল্লেখ কৰে। একেটা অনুষ্ঠানতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, যে এই পৰ্যটন মেলাই উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটন ক্ষেত্ৰক বিশ্বৰ পৰ্যটকক চিনাকী কৰি দি দেশৰ উন্নয়নত সহায় কৰিব। অসমৰ ঘৰুৱা পৰ্যটন ক্ষেত্ৰই যোৱাটো পৰ্যটন বৰ্ষত ৫৭৫ শতাংশ বৃদ্ধি হোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

আনহাতে অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে যোৱা ১০ বছৰত ৰাজ্যখনৰ পৰ্যটন ক্ষেত্ৰখনৰ ২০০ শতাংশ বৃদ্ধি হোৱা বুলি প্ৰকাশ কৰে। চুবুৰীয়া ৰাজ্যখনৰ মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ পৰ্যটন ক্ষেত্ৰৰ প্ৰচাৰ কৰাৰ বাবে সশস্ত্ৰ বাহিনীক বিশেষভাৱে ধন্যবাদ জনায়।

উল্লেখযোগ্য যে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ে ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ স্বীকৃতিপ্ৰাপ্ত কাজিৰঙাত আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাখনৰ আয়োজন কৰিছে। এই মেলাই উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটনৰ লগতে বাণিজ্য তথা উদ্যোগসমূহকো ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় এখন মঞ্চ দিছে। মেলাখনত ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় ট্যুৰ অপাৰেটৰ, হোটেল ব্যৱসায়ী, পৰ্যটন সেৱা আগবঢ়োৱা প্ৰায় ৪০০ প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিছে।

ooooo

কাজিৰঙাত অনুষ্ঠিত হোৱা দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাত অংশগ্ৰহণ কৰাৰ পাছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গোলাঘাটৰ নুমলীগড়ৰ দেওপাহাৰ ভ্ৰমণ কৰে। দেওপাহাৰৰ শৃংগত থকা পুৰণি মন্দিৰত সেৱা লয় পাহাৰটোত থকা প্ৰত্নতাত্বিক সমলসমূহ সংৰক্ষণৰ বাবে চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব বুলি ব্যক্ত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে এই সন্দৰ্ভত বিতং প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ গোলাঘাট আয়ুক্তক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কাজিৰঙালৈ অহা পৰ্যটকসকলক দেওপাহাৰৰ সৌন্দৰ্য তথা অষ্টম, নৱম শতিকাৰ সমলসমূহ চাবলৈ আহ্বান জনায়। নুমলীগড়ৰ হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ সৈতে আলোচনা কৰাৰ কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীৰ দেওপাহাৰ ভ্ৰমণৰ সময়ত মন্ত্ৰী অতুল বৰা, শ্ৰী জয়ন্ত মল্লবৰুৱা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক মৃণাল শইকীয়া আৰু বিশ্বজিৎ ফুকনে সংগ দিয়ে।

oooo

বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে আজি বাক্সাৰ দলাবাৰীত থকা একলব্য আদৰ্শ আৱাসিক বিদ্যালয়ৰ পৰা ১২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী এটা পথৰ আধাৰশিলা স্থাপন কৰে। পথটোৰ আধাৰশিলা স্থাপনৰ অন্তত সমবেত লোকক উদ্দেশ্যি মুখ্য কাৰ্যবাহীগৰাকীয়ে কয়, যে এই পথছোৱাই বাক্সা জিলাৰ যোগাযোগ ব্যৱস্থা তথা আন্তঃগাঁথনিৰ উন্নতি সাধন কৰাৰ লগতে জনসাধাৰণক বিভিন্ন সা-সুবিধা দিব। পথটোৰ আধাৰশিলা স্থাপনৰ লগতে শ্ৰীবড়োৱে দলাবাৰী গাঁৱৰ কৃষকসকলক আলুৰ বীজ বিতৰণ কৰে। ইয়াৰ পূৰ্বে শ্ৰীবড়োৱে বাক্সাৰ কদমতলত থকা শীতলীকৰণ ভৱনটোও পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে কদমতলত ২০২১ চনৰ ৩০ জুনত নিৰ্মাণ সম্পূৰ্ণ হোৱা ৭ হাজাৰ ৫০০ মেট্ৰিক টন ক্ষমতাসম্পন্ন শীতলীকৰণ ভৱনটোৰ বৰ্তমান মেৰামতি চলি আছে।

ooooo

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্যাচাৰ্য প্ৰয়াত মহিম বৰাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে আজি নগাঁৱত এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। সাহিত্য একাডেমী উদ্যোগত নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ে সাহিত্যিকগৰাকীৰ জন্ম শতবৰ্ষ উদযাপন কৰে। এই উপলক্ষে মহিম বৰাৰ সাহিত্য বিষয়ক আলোচনাচক্ৰ অনুষ্ঠিত হয়। অনুষ্ঠানত সাহিত্য একাডেমীৰ ভাষা উপদেষ্টা সমিতিৰ আহ্বায়ক ড০ দিগন্ত বিশ্ব শৰ্মা, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সদানন্দ পায়েং আৰু বিশিষ্ট সাহিত্য সমালোচক প্ৰভাত বৰাৰ উপৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

oooo

শ্ৰীভূমি জিলা আৰক্ষীয়ে আজি জিলাখনৰ পেটেল নগৰ অঞ্চলত অভিযান চলাই মিজোৰামৰ পৰা অহা দুখন বাহনত বুজন পৰিমাণৰ নিচাযুক্ত সামগ্ৰী উদ্ধাৰ কৰাৰ লগতে এই সংক্ৰান্তত দুয়োজন লোকক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা লোককেইজন কাছাৰ জিলাৰ বাসিন্দা বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। আৰক্ষীয়ে লোককেইজনৰ জিম্মাৰ পৰা জব্দ কৰা নিচাযুক্ত টেবলেটসমূহৰ বজাৰ মূল্য আনুমানিক ১ কোটি টকাৰো অধিক বুলি প্ৰকাশ কৰিছে। আৰক্ষীয়ে এই সন্দৰ্ভত গোচৰ ৰুজু কৰি অভিযুক্ত দুজনক জেৰা কৰি আছে।

ooooo

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অহা ৩০ নৱেম্বৰৰ পৰা অসমী সৰস মেলা অনুষ্ঠিত হ'ব। অহা ১৫ ডিচেম্বৰলৈ চলিবলগীয়া এই মেলা প্ৰতিদিনেই দিনৰ ১০ বজাৰ পৰা নিশা ৯ বজালৈ থাকিব। এই মেলাৰ জৰিয়তে জনসাধাৰণে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ লগতে দেশৰ ভিন ভিন জনগোষ্ঠীৰ চহকী

হস্তশিল্প আৰু পৰম্পৰাগত সামগ্ৰী লাভ কৰিব পাৰিব। মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি এই বিষয়ে প্ৰকাশ কৰি কয় যে মহিলা সবলীকৰণৰ লগতে গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত এই মেলাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

০০০০

অহা ১ ডিচেম্বৰৰ পৰা আকাশবাণী গুৱাহাটীৰ এফ এম ১০০ দশমিক ৮ মেগাহাৰ্টজত, বিবিধ ভাৰতী চেনেলৰ পৰা প্ৰচাৰিত দিনৰ আৰু সন্ধিয়াৰ মুখ্য বাতৰিৰ প্ৰচাৰৰ সময়সূচী সামান্য সালসলনি ঘটোৱা হৈছে। এই অনুসৰি দিনৰ ১০ বাজি ১৫ মিনিটত প্ৰচাৰিত মুখ্য বাতৰি সেইদিনাৰ পৰা পুৱা ৭ বাজি ২৮ মিনিটত আৰু সন্ধিয়া ৬ বাজি ১৫ মিনিটত প্ৰচাৰিত মুখ্য বাতৰি নিশা ৮ বাজি ২৮ মিনিটত প্ৰচাৰ কৰা হ'ব।

০০০০০

সামাজিক মাধ্যমত অশ্লীল বিষয়ৰ প্ৰচাৰ ৰোধ কৰাৰ বাবে কঠোৰ আইন প্ৰণয়ন কৰিবলৈ সহমত গঢ়ি তোলাৰ ওপৰত আজি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে লোকসভাত গুৰুত্ব আৰোপ কৰে। সাংসদ অৰুণ গোভিলে সামাজিক মাধ্যমত প্ৰচাৰিত কেতবোৰ বিষয়ে নৈতিক মূল্যবোধত নেতিবাচক প্ৰভাৱ পেলায় বুলি উত্থাপন কৰা এটা বিষয় সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেওঁ কয় যে সংসদীয় স্থায়ী সমিতিয়ে এই বিষয়টো বিবেচনা কৰিব লাগে। তেওঁ কয় যে সামাজিক মাধ্যমসমূহ সৃষ্টি হোৱা স্থানসমূহৰ সৈতে ভাৰতবৰ্ষৰ জনসাধাৰণৰ সাংস্কৃতিক সংবেদনশীলতাৰ পাৰ্থক্য আছে। ইয়াৰ ফলত যিকোনো ধৰণৰ বিষয় ভাৰতীয়সকলৰ বাবে গ্ৰহণযোগ্য নহ'বও পাৰে বুলি উল্লেখ কৰি তেওঁ সম্প্ৰতি এই আইনসমূহ কঠোৰভাৱে প্ৰণয়ন কৰাটো বাধ্যতামূলক হৈ পৰিছে বুলি মন্তব্য কৰে।

০০০০

অসম আৰক্ষীৰ বিশেষ কৰ্মবাহিনীয়ে যোৱা বছৰৰ মাৰ্চ মাহৰ পৰা চলোৱা ১৫০টা অভিযানত দেখুওৱা অনুকৰণীয় পাৰদৰ্শিতা আৰু সফলতাৰ বাবে আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে বাহিনীটোক অভিনন্দন জনাইছে। এই সময়ছোৱাত আৰক্ষীৰ দলে ৫০ লাখৰো অধিক টকাৰ জালনোট জব্দ কৰাৰ লগতে বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰে। তদুপৰি ৮ লাখ ২০ হাজাৰ টকাৰো অধিক নগদ ধন, এটা গঁড়ৰ খৰ্গ আৰু ভালেমান অস্ত্ৰ-শস্ত্ৰ আৰক্ষীয়ে জব্দ কৰে। ৪১গৰাকী মহিলাকে ধৰি ২৩৮গৰাকী অভিযুক্তক আৰক্ষীৰ বিশেষ কৰ্মবাহিনীয়ে এই সময়ছোৱাত গ্ৰেপ্তাৰ কৰে। আৰক্ষী পৰিদৰ্শক কপিল পাঠকৰ নেতৃত্বৰ ৮-জনীয়া দলটোক আজি আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে এই উল্লেখনীয় সেৱাৰ বাবে অভিনন্দন জনোৱাৰ লগতে ভৱিষ্যতেও নিষ্ঠাৰে কাম কৰি যাবলৈ পৰামৰ্শ দিয়ে।

০০০০০

ধুবুৰী জিলাৰ বিলাসীপাৰাৰ সমীপৰ ৰাণীগঞ্জ বজাৰত যোৱা নিশা এটা বেংকৰ গ্ৰাহক সেৱা কেন্দ্ৰত কোনো অজ্ঞাত লোকে গুলীচালনা কৰে। এখন মটৰচাইকেলত অহা তিনিজন যুৱকে এটা বেংকৰ গ্ৰাহক সেৱা কেন্দ্ৰলৈ লক্ষ্য কৰি চলোৱা গুলীচালনাত গ্ৰাহক কেন্দ্ৰটোৰ স্বত্বাধিকাৰী আবেদুৰ ৰহমানৰ লগতে আন দুজন লোকো আহত হয়। তিনিজন লোক বৰ্তমান কোকৰাঝাৰত চিকিৎসাধীন হৈ আছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে গোটেই নিশা অভিযান চলাই দুজন যুৱকক কৰায়ত্ত কৰি সোধা-পোছা কৰিছে বুলি জানিব পৰা গৈছে। ধৃত যুৱক দুজনৰ পৰা এটা পিষ্টলৰ মেগ্জিন উদ্ধাৰ হৈছে। আৰক্ষীয়ে ঘটনাটোত ব্যৱহাৰ হোৱা মটৰচাইকেল এখনো লক্ষীগঞ্জৰ শুক্লাটাৰীৰ পৰা উদ্ধাৰ কৰিছে।

০০০০

ছয়ীদ মুস্তাক আলী ৰাষ্ট্ৰীয় টী-২০ ক্ৰিকেট প্ৰতিযোগিতাত অসম আজি বিশাখাপট্টনমত চণ্ডীগড়ৰ বিৰুদ্ধে গ্ৰুপৰ দ্বিতীয় লীগ খেলখনত অৱতীৰ্ণ হৈছে। খেলখনত চণ্ডীগড়ে টছত জিকি প্ৰথমে অসমক বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। আমালৈ বাতৰি অহাৰ পৰলৈকে অসমে এটাও উইকেট নেহেৰুৱাকৈ ২৬ ৰান সংগ্ৰহ কৰিছে।

০০০০০

গুৱাহাটীত আজিৰেপৰা উত্তৰ-পূব দিব্যাংগ ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ভাৰতীয় পেৰালিম্পিক সমিতিৰ অধীনত আৰু অসম পেৰালিম্পিক সংস্থাৰ সহযোগত আয়োজিত এই প্ৰতিযোগিতা অহা ২৯ নৱেম্বৰলৈ চলিব। আজি মন্ত্ৰী পীযুষ হাজৰিকাই এই ক্ৰীড়া প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে মুকলি কৰে। ক্ৰীড়া প্ৰতিযোগিতা উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে উত্তৰ-পূবৰ ছখন ৰাজ্যৰ চাৰে ৫০০ৰো অধিক প্ৰতিযোগীয়ে অংশ লোৱা এই কাৰ্যসূচীৰ সফলতা কামনা কৰে। উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ খেলসমূহ কাইলৈ পুৱা ৮ বজাত আৰম্ভ হ'ব।

এই সমাৰোহত এথলেটিকছ্, সাঁতোৰ, বেডমিণ্টন আৰু টেবুল টেনিছ অনুষ্ঠিত হ'ব। এথলেটিকছত ১০০ মিটাৰ, ১৫০০ মিটাৰ দৌৰৰ লগতে শ্বটপুট, ডিছকাছ থ্ৰো আৰু লং জাম্প অন্তৰ্ভুক্ত কৰা হৈছে। আনহাতে, সাঁতোৰত ৫০ মিটাৰ আৰু ১০০ মিটাৰ ফ্ৰীষ্টাইল, ৫০ মিটাৰ আৰু ১০০ মিটাৰ বেকষ্ট্ৰোকৰ লগতে ৫০ আৰু ১০০ মিটাৰ ব্ৰেষ্টষ্ট্ৰোক অন্তৰ্ভুক্ত কৰা হৈছে। ১০০ মিটাৰ বাটাৰ ফ্লাই আৰু ৪ ইণ্টু ১০০ মিটাৰ ফ্ৰী ষ্টাইল ৰীলেও এই প্ৰতিযোগিতাত অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০

সমাপ্ত